NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-09-2024
**Time :** 0705 hrs

*Assamese Mornning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গ্ৰেটাৰ নয়দাত ছেমিকন ইণ্ডিয়া ২০২৪ সন্মিলন মুকলি কৰিব।

২। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৫ ছেপ্তেম্বৰত অভিলাষী প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ লাখ লাখ হিতাধিকাৰীলৈ দুহেজাৰ ৭৪৫ কোটি টকাৰ কিস্তি মোকলাই দিব।

৩। ভাৰতীয় জনতা পাৰ্টীয়ে ৰাষ্ট্ৰজোৰা সদস্যভৰ্তি অভিযানৰ অধীনত মাত্ৰ ৮ দিনৰ ভিতৰতে ২ কোটিৰো অধিক নতুন সদস্য দলত অন্তৰ্ভুক্ত হৈছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ ঠাইবিশেষে অহা ৬ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গ্ৰেটাৰ নয়দাত ছেমিকন ইণ্ডিয়া ২০২৪ সন্মিলন মুকলি কৰিব। এই তিনিদিনীয়া সন্মিলনৰ মূল বিষয়বস্তু হৈছে অৰ্ধপৰিবাহীৰ ভৱিষ্যৎ গঢ় দিয়া। সন্মিলনত ভাৰতক অৰ্ধপৰিবাহীৰ গোলকীয় কেন্দ্ৰ ৰূপে গঢ় দিয়াৰ উদ্দেশ্যে দেশে গ্ৰহণ কৰা অৰ্ধপৰিবাহী ৰণকৌশল আৰু নীতিৰ বিষয়ে আলোকপাত কৰা হ'ব। কালি নতুন দিল্লীত অৰ্ধপৰিবাহী কাৰ্যবাহীসকলৰ ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতৰ বিবিধতাৰে ভৰা অৰ্ধপৰিবাহী যোগান শৃংখলাত বিশ্বাসী সহযোগী হোৱাৰ সামৰ্থ্য আছে। তেওঁ কয় যে অৰ্ধপৰিবাহীসমূহ ডিজিটীয় যুগৰ ভেটিস্বৰূপ আৰু এই উদ্যোগ বুনিয়াদী আৱশ্যকতাৰ আধাৰৰূপে পৰিগণিত হবলৈ বেছি সময় নাই। গণতন্ত্ৰ আৰু প্ৰযুক্তিয়ে একেলগে মানৱ জাতিৰ কল্যাণ সুনিশ্চিত কৰিব পাৰে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে ভাৰতে অৰ্ধপৰিবাহী খণ্ডত গোলকীয় দায়িত্ব অনুধাৱন কৰি এই দিশত অগ্ৰসৰ হৈছে। তেওঁ ভাৰত চৰকাৰে এই ক্ষেত্ৰত অনুমেয় আৰু স্থিৰ নীতি ব্যৱস্থা অনুসৰণ কৰিব বুলি আশ্বাস প্ৰদান কৰে। শ্ৰীমোদীয়ে কয় যে চৰকাৰে মেক ইন ইণ্ডিয়া আৰু মেক ফৰ দ্য ৱৰ্ল্ড দৃষ্টিভঙ্গীত গুৰুত্ব আৰোপ কৰি প্ৰতিটো ক্ষেত্ৰত অৰ্ধপৰিবাহী উদ্যোগলৈ সহায়-সমৰ্থন আগবঢ়াই যাব। অৰ্ধপৰিবাহী খণ্ডৰ বিকাশৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ শলাগ লৈ সন্মিলনত উপস্থিত থকা মুখ্য কাৰ্যবাহী বিষয়াসকলে সমগ্ৰ অৰ্ধপৰিবাহী খণ্ডৰ সকলো পক্ষকে এখন মঞ্চত উপৱিষ্ট কৰোৱা এই সন্মিলনক অভূতপূৰ্ব আখ্যা দিয়ে। তেওঁলোকে অৰ্ধপৰিবাহী উদ্যোগৰ অপাৰ বিকাশ আৰু ভৱিষ্যতে খণ্ডটোৰ প্ৰগতিৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা বৈঠকৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত অৰ্ধপৰিবাহী খণ্ডৰ আগশাৰীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলে শ্ৰীমোদীৰ নেতৃত্বক ভূয়সী প্ৰশংসা কৰে। এন এক্স পি ছেমিকণ্ডাক্টৰ্ছৰ মুখ্য কাৰ্যবাহী বিষয়া কৰ্ট ছিৱৰ্ছে কয় যে তেওঁ বৰ্তমানলৈকে প্ৰধানমন্ত্ৰী মোদীৰ লেখিয়া অৰ্ধপৰিবাহী উদ্যোগ

সন্দৰ্ভত বিশেষ ব্যুৎপত্তি থকা কোনো নেতা এতিয়ালৈকে লগ পোৱা নাই। জেকব্ছৰ মুখ্য কাৰ্যবাহী বিষয়া ব'ব প্ৰগাডাই কয় যে শ্ৰীমোদীয়ে ভাৰতক গোলকীয় পৰ্যায়ত ওপৰলৈ লৈ গৈছে আৰু এয়া ভাৰত তথা বিশ্ব উভয়ৰ বাবে জৰুৰী। আই এম ই চিৰ মুখ্য কাৰ্যবাহী বিষয়া ল্যুক ৱান ডেন হোৱে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বই তেওঁক আকৰ্ষণ কৰিছে আৰু অৰ্ধপৰিবাহী প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতক কেন্দ্ৰৰূপে গঢ়ি তোলাৰ প্ৰতি তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতা স্পষ্টভাৱে প্ৰকাশ পাইছে।

০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৫ ছেপ্তেম্বৰত ঝাৰখণ্ডৰ জামছেদপুৰৰ পৰা অভিলাষী প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ লাখ লাখ হিতাধিকাৰীলৈ দুহেজাৰ ৭৪৫ কোটি টকাৰ কিস্তি মোকলাই দিব। তেওঁ কয় যে এই উপলক্ষে নিৰ্ধাৰিত সকলো হিতাধিকাৰীৰ মাজত স্বীকৃতি-পত্ৰও বিতৰণ কৰা হ'ব। ভালেসংখ্যক লোকে এই অনুষ্ঠানত পোনপটীয়াকৈ অংশগ্ৰহণ কৰিব আৰু লাখ লাখ লোকে অনলাইন ব্যৱস্থাৰে অনুষ্ঠানত ভাগ ল'ব। শ্ৰীচৌহানে কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৰাজ্যসমূহৰ গ্ৰামোন্নয়ন মন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানটোৰ প্ৰস্তুতি সন্দৰ্ভত নিৰ্দেশ দিয়ে। শ্ৰীচৌহানে কয় যে দেশৰ দুখীয়া লোকসকলৰ উত্থান মোদী চৰকাৰৰ অন্তিম লক্ষ্য আৰু এই লক্ষ্য পূৰণৰ দিশৰ পৰা প্ৰধানমন্ত্ৰী আৱাস যোজনা এটা গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপে বিবেচিত হৈ আহিছে। তেওঁ কয় যে আঁচনিখনৰ সাফল্য আৰু গ্ৰামাঞ্চলত বাসগৃহৰ আৱশ্যকতাৰ কথা অনুধাৱন কৰি আঁচনিখনৰ ম্যাদ বৃদ্ধি কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্ত্তী পাঁচ বছৰত দুখীয়া জনসাধাৰণৰ বাবে ২ কোটি অতিৰিক্ত বাসগৃহ নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰিছে।

০০০

ভাৰতীয় জনতা পাৰ্টীয়ে ৰাষ্ট্ৰজোৰা সদস্যভৰ্তি অভিযানৰ অধীনত মাত্ৰ ৮ দিনৰ ভিতৰতে ২ কোটিৰো অধিক নতুন সদস্য দলত অন্তৰ্ভুক্ত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২ ছেপ্তেম্বৰত সদস্য-পদ গ্ৰহণ কৰি এই অভিযানৰ আৰম্ভ কৰিছিল। বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ টাওড়েই এটা বিবৃতিযোগে কৈছে যে দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দলৰ সাংগঠনিক সাধাৰণ সম্পাদক এল সন্তোষে সুকীয়া সুকীয়াকৈ উত্তৰ প্ৰদেশ, বিহাৰ, ছত্তিশগড়, মধ্য প্ৰদেশ, ওড়িশা, কৰ্ণাটক, তামিলনাডু, গুজৰাট আৰু ৰাজস্থানৰ কাৰ্যকৰ্তাৰ সৈতে সদস্যভৰ্তি অভিযানৰ পৰ্যালোচনা চলাইছে। শ্ৰীটাওড়েই কয় যে বৈঠকত মহিলা, সীমান্তৱৰ্ত্তী গাঁও আৰু দুৰ্গম পাহাৰীয়া অঞ্চলসমূহলৈ সদস্য-ভৰ্তি অভিযান সফলতাৰে সম্প্ৰসাৰিত কৰাৰ বাবে ল'বলগীয়া ৰণনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তেওঁ লগতে কয় যে অন্য ৰাজ্যসমূহৰ সৈতেও শীঘ্ৰে আলোচনা অনুষ্ঠিত হ'ব।

০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অসামৰিক বিমান পৰিবহণ সম্পৰ্কীয় দ্বিতীয়খন এছিয়া প্ৰশান্ত মহাসাগৰীয় মন্ত্ৰী সন্মিলন আৰম্ভ হ'ব। আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থা আৰু অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ সহযোগত এই সন্মিলনৰ আয়োজন কৰা হৈছে। বিমানৰ বজাৰৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰতে দ্ৰুততম হাৰত বিকশিত দেশ আৰু ঘৰুৱা বিমানসেৱাৰ খণ্ডত তৃতীয় বৃহত্তম স্থানত আছে। যোৱা দশকত ভাৰতত বিমানৰ সংখ্যা ৪০০ৰ পৰা ৮০০ৰো অধিককৈ বৃদ্ধি পাইছে আৰু বিমানবন্দৰৰ সংখ্যা ৭৪ৰ পৰা ১৫৭লৈ বৃদ্ধি

পাইছে। চৰকাৰে গ্ৰহণ কৰা UDAN ৰ দৰে পদক্ষেপে আঞ্চলিক সংযোগ বৃদ্ধি কৰিছে। ভাৰতে অসামৰিক বিমান পৰিবহণৰ দ্বিতীয় এছিয়া প্ৰশান্ত মহাসাগৰীয় মন্ত্ৰী সন্মিলন আয়োজন কৰাৰ লগে লগে বিশ্ব বিমান পৰিবহণৰ উদ্ভাৱন আৰু বিকাশৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে।

০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ ঠাইবিশেষে অহা ৬ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মিজোৰাম আৰু ত্ৰিপুৰাত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে ছিকিম, পশ্চিম বংগ আৰু বিহাৰত ১৪ ছেপ্তেম্বৰ পৰ্যন্ত প্ৰবল বৰষুণ হ'ব পাৰে বুলি সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০

ভাৰত - ছিংগাপুৰৰ কৰ্মচাৰী ব্যৱস্থাপনা আৰু ৰাজহুৱা প্ৰশাসনৰ যুটীয়া কাৰ্যকৰী গোটৰ বৈঠক কালি অনুষ্ঠিত হয়। প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগৰ সচিব ভি শ্ৰীনিবাস আৰু ছিংগাপুৰৰ লোকসেৱা বিভাগৰ স্থায়ী সচিব টান গী কেওৱে দেশ দুখনৰ প্ৰশাসনিক সংস্কাৰ আৰু প্ৰযুক্তিবিদ্যা প্ৰৱৰ্তনৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতাৰ বাবে ভৱিষ্যতৰ ৰূপৰেখা প্ৰস্তুত কৰে। ভিডিঅ' কনফাৰেন্সৰ মাধ্যেমেৰে অনুষ্ঠিত বৈঠকখনত দুয়োটা পক্ষই সুশাসন আৰু প্ৰশাসনিক সংস্কাৰৰ উন্নয়ন সম্পৰ্কে পৰ্যালোচনা কৰে। ভাৰত আৰু ছিংগাপুৰৰ কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন মন্ত্ৰালয়ে কৰ্মচাৰী ব্যৱস্থাপনা আৰু ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ লগতে প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱৰ্তন অনাৰ পোষকতা কৰে। বৈঠকত সুশাসন পদ্ধতিৰ আদান-প্ৰদান, কৰ্মচাৰী ব্যৱস্থাপনা আৰু ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত তথ্যৰ আদান-প্ৰদান, শাসনত প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত সহযোগিতা আৰু যৌথ কৰ্মগোটৰ বৈঠক সময়মতে অনুষ্ঠিত কৰাৰ সংকল্প গ্ৰহণ কৰা হয়।

০০০

যোৱাবাৰৰ চেম্পিয়ন ভাৰত আজি চীনৰ হুলুনবুইৰত অনুষ্ঠিত পুৰুষৰ এছীয় চেম্পিয়নশ্বিপ হকী প্ৰতিযোগিতাৰ নিজৰ তৃতীয়খন খেলত মালয়েছিয়াৰ সন্মুখীন হ'ব। চাৰিবাৰকৈ খিতাপ দখল কৰা ভাৰতে ইতিপূৰ্বে আয়োজক দেশ চীনক ৩-০ আৰু জাপানক ৫-১ গ'লত পৰাস্ত কৰিছে। হৰমনপ্ৰীত সিং নেতৃত্বাধীন ভাৰতীয় দলটো সম্প্ৰতি ৬ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষত আছে। ভাৰতৰ সুখজিৎ সিং আৰু কোৰিয়া গণৰাজ্যৰ জিহুন য়াঙে প্ৰতিযোগিতাত যুটীয়াভাৱে সৰ্বাধিক তিনিটাকৈ গ'ল দিয়ে। প্ৰতিযোগিতাৰ ৰাউণ্ড ৰবীন পৰ্যায়ৰ শীৰ্ষৰ চাৰিটা দলৰ মাজত ১৬ ছেপ্তেম্বৰত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। ১৭ ছেপ্তেম্বৰত ফাইনেল খেল খেলোৱা হ'ব।

০০০

হাংগেৰীৰ ৰাজধানী বুডাপেষ্টত আজি ৪৫ সংখ্যক এফ আই ডি ই দবা অলিম্পিয়াড আৰম্ভ হৈছে। ১২ দিনীয়াকৈ হ'বলগীয়া প্ৰতিযোগিতাখনত ১৮০০ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। মুকলি শাখাত ১৯৩টা ৰাষ্ট্ৰীয় দলে পঞ্জীয়ন কৰাৰ লগতে মহিলা শাখাত ১৮১টা দলে প্ৰতিদ্বন্দ্বিতা কৰিব। আমেৰিকাৰ পিছতে দ্বিতীয় স্থানৰ দল হিচাপে ভাৰতে মুকলি শাখাত প্ৰৱেশ কৰিব। ভাৰতৰ হৈ বিশ্ব চেম্পিয়নশ্বিপৰ প্ৰতিভাসম্পন্ন খেলুৱৈ ডি গুকেশ, বিশ্বৰ ৪নম্বৰ স্থানত থকা অৰ্জুন এৰিগাইচি আৰু ১২ নম্বৰ স্থানৰ খেলুৱৈ আৰ প্ৰাগনান'ধাই প্ৰতিযোগীতাত অৱতীৰ্ণ হ'ব। বিদিত গুজৰাথী আৰু পেন্টালা হৰিকৃষ্ণৰ দৰে অভিজ্ঞ খেলুৱৈৰ অংশগ্ৰহণে ভাৰতক অন্যতম শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে পৰিগণিত কৰিছে। একেদৰে মহিলা শাখাত ভাৰতৰ হৈ দ্ৰোণৱল্লী হৰিকাৰ নেতৃত্বত জি এম আৰ বৈশালী, দিব্য দেশমুখ, বন্তিকা আগৰৱালা আৰু তানিয়া সচদেৱে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। প্ৰতিযোগীতাখনত যোৱাবাৰ আয়োজক দেশ ভাৰতে মুকলি আৰু মহিলা, দুয়োটা শাখাতে ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০

সমাপ্ত